**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-10-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ২৫ হাজাৰৰো অধিক মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। ইয়াৰ ভিতৰত গ্ৰামাঞ্চলৰ ১৯ হাজাৰ ৬২৮ গৰাকী আৰু নগৰাঞ্চলৰ ৬ হাজাৰ ৯৫৭ গৰাকী মহিলা আছে। এই উপলক্ষে নগাঁও চহৰৰ নেহৰুবালিত এখন জনসভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰথম পৰ্যায়ত প্ৰদান কৰা এই মূলধনে ৰাজ্যখনত মহিলা নেতৃত্বাধীন বিকাশৰ পথ প্ৰশস্ত কৰিব।

**বাইট (চি এম)**

এই অভিযানৰ জৰিয়তে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে প্ৰমুখ্য কৰি বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সুদৃঢ় হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ বীৰাংগনা মূলাগাভৰু আৰু ছহিদ কনকলতাৰ দেশপ্ৰেমে প্ৰত্যেককে অনুপ্ৰাণিত কৰাৰ দৰে অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ ক্ষেত্ৰত বৰ্তমানৰ নাৰী শক্তিও শক্তিশালী উদাহৰণ হ'ব পাৰে বুলি উল্লেখ কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি জিলাখনত ২৫ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পও উদ্বোধন কৰে। তেওঁ নগাঁও আৰৰ্তভৱন চাৰিআলিৰ পৰা পানীগাঁও চাৰিআলিলৈ ৫ কোটি ২০ লাখ টকা ব্যয়েৰে নিৰ্মিত গৌৰৱ পথছোৱা মুকলি কৰে। ইয়াৰ পাছত তেওঁ ৮ কোটি ৭৩ লাখৰো অধিক ধন ব্যয় সাপেক্ষ কেইবামহলীয়া নতুন বজাৰগৃহ উদ্বোধন কৰে। সকলো ধৰণৰ সুবিধাযুক্ত এই চাৰিমহলীয়া বজাৰগৃহই গ্ৰাহকক পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশত বজাৰ কৰাৰ অভিজ্ঞতা প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে আজি নগাঁৱৰ মহাত্মা গান্ধী পথত ৭ কোটি ১৩ লাখৰো অধিক টকা ব্যয়সাপেক্ষ নিৰ্মাণ কৰা অত্যাধুনিক ছুইমিং পুল উদ্বোধন কৰে। তেওঁ লগতে জিলাখনৰ মতিৰাম বৰা পথত নৱনিৰ্মিত স্বাস্থ্য সেৱাৰ যুটিয়া সঞ্চালকৰ নতুন কাৰ্যালয় ভৱনো মুকলি কৰে।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি মৰিগাঁও জিলাৰ জাগীৰোডৰ ডাবৰঘাট প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাক শিক্ষাৰ মাধ্যম হিচাপে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। তেওঁ লগতে তিৱা ভাষাৰ পাঠ্যপুথিসমূহো উন্মোচন কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ অধীনত প্ৰাথমিক বিদ্যালয়সমূহত বিভিন্ন ভাষাত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি প্ৰাৰম্ভিক পৰ্যায়ত ৰাজ্যৰ ৬২ খন প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাৰ শিক্ষা আৰম্ভ হ'ব। কিছু সংখ্যক বিদ্যালয়ত ইতিমধ্যে তিৱা ভাষাৰ শিক্ষক নিযুক্তি দিয়া হৈছে। বাকী থকা বিদ্যালয়সমূহতো পৰ্যায়ক্ৰমে ভাষা শিক্ষক নিযুক্তি দিয়া হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই উদ্যোগে অসমৰ জনজাতীয় অঞ্চলসমূহত মাতৃভাষাৰ মাধ্যমত প্ৰাথমিক শিক্ষাৰ এটা যুগৰ সূচনা কৰিছে বুলি ডাঃ পেগুৱে উল্লে কৰে।

ooooo

অসম চৰকাৰে ৰাজ্যৰ ২২৬ টা সমষ্টিক সামৰি ৰূপায়ণ কৰা  শুশ্রুষা সেতু শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ কাৰ্যসূচীৰ অধীনত আজিও  বিভিন্ন জিলাত শিবিৰ মুকলি কৰা হয়। গোলাঘাট জিলাৰ দেৰগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত দেৰগাওঁ বিধানসভা সমষ্টি ভিত্তিক স্বাস্থ্য শিবিৰ সম্পন্ন হয়। সমষ্টিটোৰ বিধায়ক ভবেন্দ্ৰ নাথ ভড়ালীয়ে এই স্বাস্থ্য শিবিৰ মুকলি কৰে। শোণিতপুৰ জিলাৰ ৰঙাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীত স্থানীয় বিধায়ক কৃষ্ণ কমল তাঁতি, জিলা আয়ুক্ত আনন্দ কুমাৰ দাস উপস্থিত থাকে। এই শিবিৰত দুহেজাৰ ৭১৪ গৰাকী ৰোগীয়ে নাম পঞ্জীয়ন কৰিছে।

০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণ ফটিকাচোৰা অভয়পুৰীয়া মজলীয়া বিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। স্থানীয় বিধায়ক তথা মন্ত্ৰী বিমল বৰাই বিদ্যালয়খনৰ নৱনিৰ্মিত স্থায়ী বেৰ উদ্বোধন কৰে। আজি দুপৰীয়াৰ ভাগত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সমাৰোহ অনুষ্ঠিত হয়। কাইলৈ সাংস্কৃতিক শোভাযাত্ৰা, বিশেষ সম্বৰ্ধনা অনুষ্ঠান আৰু মুকলি সভাৰ আয়োজন কৰা হৈছে।

০০০০০

মৰিগাওঁ জিলাৰ আৰক্ষী অধীক্ষক দৰং জিলালৈ বদলি হোৱাৰ পৰিপ্ৰেক্ষিতত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত তেওঁক বিদায় সম্বৰ্ধনা জনোৱা হয়। জিলা আয়ুক্ত অনামিকা তিৱাৰীৰ লগতে জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰে।

০০০০০

অসমত টেলিভিছন সংবাদ প্ৰচাৰৰ ক্ষেত্ৰত বাটকটীয়া হৈছে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ১৯৮৫ চনত অসমত প্ৰথম টেলিভিছন বাতৰি সেৱা আৰম্ভ কৰাৰ সময়ৰ কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশকক লগ পাব অহা ২৫ অক্টোবৰৰ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত। টেলিভিছনত বাতৰি প্ৰচাৰৰ সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বান সম্পৰ্কত বহু কথা এই অনুষ্ঠানত উন্মোচিত হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫-ৰ পুৰস্কাৰসমূহ অহা ৩১ অক্টোবৰৰ বিয়লি ২ বজাত আকাশবাণী গুৱাহাটীৰ সন্মিলন কক্ষত প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ বিজয়ী গুৱাহাটীৰ অসম জাতীয় বিদালয়ৰ নিষ্ঠা বৰগোহাঁই, দ্বিতীয় পুৰস্কাৰ বিজয়ী গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দিব্যা আত্ৰেয়, তৃতীয় পুৰস্কাৰ বিজয়ী যোৰহাটৰ পীড়াকটাৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অন্বেষা ফুকন আৰু কটন বিশ্ববিদ্যালয়ৰ ৰোহিত গাওঁখোৱাক তেওঁলোকৰ অভিভাৱকসহ এই বঁটা প্ৰদান অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। আমন্ত্ৰণী পত্ৰ ইতিমধ্যে ৱাটছএপযোগে প্ৰেৰণ কৰা হৈছে। বিজয়ী প্ৰতিযোগীক একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ, গ্ৰন্থ আৰু এটাকৈ ৰেডিঅ'ছেট প্ৰদান কৰা হ'ব।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**